যিয়ে আনৰ ক্ষতি কৰিব, আল্লাহেও সেইটোৰ দ্বাৰাই তাক ক্ষতি কৰিব। আনহাতে যিয়ে আনক কষ্টত পেলাব, আল্লাহেও তাক কষ্টত পেলাব।

আবু চিৰমাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যিয়ে আনৰ ক্ষতি কৰিব, আল্লাহেও সেইটোৰ দ্বাৰাই তাক ক্ষতি কৰিব। আনহাতে যিয়ে আনক কষ্টত পেলাব, আল্লাহেও তাক কষ্টত পেলাব। [হাছান] [(আবু দাঊদ, তিৰমিজী, ইবনে মাজাহ, আহমদ)]

কোনো মুছলিমক ক্ষতি কৰা বা কোনো বিষয়ত তাক কষ্ট দিয়া; শাৰীৰিক কষ্ট হওক বা ধন-সম্পদৰ ক্ষয়-ক্ষতি নাইবা পৰিয়ালৰ ক্ষয়-ক্ষতিয়ে হওক, নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে সাৱধান কৰিছে। যি ব্যক্তিয়ে কাৰোবাক এনেকুৱা কষ্ট দিব, আল্লাহেও সেই অনুপাতেই তাক শাস্তি বিহিব।

https://sunnah.global/hadeeth/as/show/5375